সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। আমাৰ ভাৰতবৰ্ষ আৰু চীনে এই প্ৰকাৰ বাণিজ্য নীতি মানি চলি যথেষ্ট লাভৱান হোৱা দেখা যায়। বৰ্হি দিশলৈ চোৱা বাণিজ্য নীতিৰ পৃষ্ঠপোষকসকলৰ মতে এই প্ৰকাৰ বাণিজ্য নীতিৰ কেইটামান উপকাৰ আছে। সেইয়া হ'ল—

(১)এনে বাণিজ্য নীতিৰ অধীনত অবাধ বাণিজ্য নীতি মানি চলিব পৰা যায় ফলত সকলো দেশেই আন্তৰ্জাতিক বাণিজ্যত নিজৰ নিজৰ সুবিধাৰ ভিত্তিত উৎপাদনত বিশেষীকৰণ কৰাৰ সুবিধা লাভ কৰে।

(২)দ্বিতীয়তে, বাণিজ্যিক শুল্ক প্ৰত্যাহাৰৰ, কোটা বা পৰিমাণ নিৰ্ধাৰণ প্ৰত্যাহাৰৰ যোগেদি প্ৰতিখন দেশেই জনকল্যাণ সৰ্বাধিক কৰাৰ লক্ষ্যত উপনীত হ'ব পাৰে।

(৩)তৃতীয়তে মুক্ত বাণিজ্য নীতিৰ অধীনত প্ৰতিযোগিতা বৃদ্ধি পায়। প্ৰতিযোগিতাই উদ্যোগ প্ৰতিষ্ঠানৰ দক্ষতা বৃদ্ধিত সহায় কৰে আৰু প্ৰতিটো প্ৰতিষ্ঠানকে আন্তৰ্জাতিক পৰ্যায়ৰ প্ৰতিযোগি প্ৰতিষ্ঠানৰূপে গঢ় দিয়াত সহায় কৰে।

(৪)চতুৰ্থতে, বিশ্বায়ন পদ্ধতিৰ লগত খাপ খুৱাই বাহ্যিক বিপদ-আপদবিলাকৰ মোকাবিলা কৰিব পৰালৈ প্ৰস্তুত কৰিবলৈ সক্ষম হয় বাবে দেশত উৎপাদনীয় খণ্ডসমূহৰ বিকাশ ঘটে।

(৫)পঞ্চমতে, বিশেষীকৰণ যিমানে বেছি হ'ব, উদ্যোগ সম্প্ৰসাৰণো সিমানে বাঢ়িব। ফলত দেশত নিযুক্তি, বিনিয়োগ আৰু জাতীয় উপাৰ্জন সিমানে বাঢ়িব।

**দুয়ো প্ৰকাৰ বাণিজ্য নীতিৰ মূল্যায়ন** (Evaluation of Inwards and Outward Looking Trade Policy) ঃ বৰ্তমান সময়ত আভ্যন্তৰীণ দিশলৈ চোৱা আৰু বৰ্হি দিশলৈ চোৱা কোনবিধ বাণিজ্য নীতি অধিক ফলপ্ৰসূ সেইয়া এক বিতৰ্কৰ বিষয়। ইয়াৰ কাৰণ বৰ্তমান সময়ত আমি অনুন্নত, উন্নয়নশীল আৰু উন্নত (Underdeveloped, Underdeveloping and Develope) এই তিনি প্ৰকাৰৰ অৰ্থনীতি দেখিবলৈ পাওঁ। এই তিনিও প্ৰকাৰ অৰ্থনীতিৰ বৈশিষ্টসমূহ পৃথক-পৃথক। প্ৰতিবিধ অৰ্থনীতিয়েই উন্নয়নৰ গতি অৱধাৰিত কৰি ৰাখিবলৈ পৃথক বাণিজ্য নীতি গ্ৰহণ কৰাৰ প্ৰয়োজন। ইতিহাসৰ পাত লুটিয়ালে দেখা পোৱা যায় যে অবাধ বাণিজ্য নীতিয়ে অনুন্নত আৰু উন্নতিশীল দেশবোৰৰ

উন্নয়নত যথেষ্ট বাধাৰ সৃষ্টি কৰে। এনে দেশসমূহৰ উদ্যোগীক বিকাশ কম হোৱা বাবে প্ৰাথমিক বা কৃষিজাত সামগ্ৰীহে উৎপাদনত বিশেষীকৰণ কৰিব পাৰে। এনে সামগ্ৰীৰ আন্তৰ্জাতিক বজাৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা কম হোৱাত বাণিজ্যক লেন-দেনৰ ঘাটিৰ সন্মুখীন দীৰ্ঘদিন ধৰি ভোগ কৰিব লগা হয়। ফলত এনে দেশে স্বাৱলম্বীতাৰ দিশত নিজকে আত্মনিয়োগ কৰাৰ চিন্তাত আভ্যন্তৰীণ দিশলৈ চোৱা নীতি মানি চলিব লগা হয়। অৱশ্যে উন্নত দেশৰ তেনে সমস্যা নেথাকে। গতিকে উন্নত দেশে বৰ্হি বিশ্বলৈ বহিঃ দিশলৈ চোৱা বাণিজ্যিক নীতি গ্ৰহণ কৰিলেও কোনো অসুবিধা নেথাকে।

**3.13 গোলকীকৰণ (Globalization) ঃ** সৰল অৰ্থত গোলকীকৰণ বা বিশ্বায়ন মানে বিশ্ব অৰ্থনীতিৰ লগত এখন দেশৰ অৰ্থনীতিৰ সমন্বয় সাধন হোৱাকে বিশ্বায়ন বোলা হয়। অৰ্থনীতিবিদ জগদীশ ভাগৱতীৰ মতে বিশ্বায়ন শব্দটোৰ বহুতো অৰ্থ আছে। আমি যদি ভাৰতীয় অৰ্থনীতিৰ দৃষ্টিকোণৰ পৰা বিশ্বায়ন শব্দটো বিচাৰ কৰি চাওঁ তেনেহ'লে আমি ক'ব পাৰোঁ যে দেশ এখনত বিভিন্ন উৎপাদনীয় খণ্ডত পুঁজি খটুৱাবলৈ বিদেশী বিনিয়োগকাৰীক মুক্তভাৱে সুবিধা প্ৰদান কৰাকে বিশ্বায়ন বোলা হয়। যেতিয়া দেশ এখনৰ উৎপাদনীয় খণ্ডত বিদেশী বিনিয়োগকাৰীয়ে বাধাহীনভাৱে মূলধনৰ প্ৰত্যক্ষ বিনিয়োগ ঘটাব পাৰে তেতিয়া তাকো আমি বিশ্বায়ন বুলিব পাৰোঁ। বিশ্বায়নৰ মূল লক্ষ্য হ'ল বিশ্বৰ বিভিন্ন অৰ্থনীতিসমূহক এখন অৰ্থনীতিলৈ পৰিৱৰ্তন কৰা। সাধাৰণতে আন্তৰ্জাতিক বাণিজ্য আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তৰাষ্ট্ৰীয় বিত্তক ব্যাপক মাত্ৰাত মুক্ত কৰি দিয়া আন্তৰ্জাতিক পৰ্য্যায়ৰ ব্যৱস্থাটোৱেই বিশ্বায়নৰ মূল লক্ষ্য।

### 3.13.1 বিশ্বায়নৰ বৈশিষ্ট্য (Main Features of the Globalization)